# A REPORT ON DEPT OF BOTANY & IQAC WORKSHOP ON 28th March 2025

A daylong workshop for **Small Tea Growers** of the locality, organized by **BAHONI T. E. authority** special with collaboration with **Department of Botany** & **IQAC, Marini College**, Mariani. A total number of **150 small tea growers** (STGs) and **students of Botany**, Mariani College participated. **Mr. Nipun Barman**, Assistant Director, Tea Board (GoI) delivered speech on **Judicious Application of Chemical pesticides** by following proper **PPC** (plant protection code) **norms** for maintaining reputation Assam Tea in the international market. **Dr. Raj Kumar Gohain Baruah**, department of Botany gave training on **pruning, tipping** & **quality plucking of tea leaves**. He also delivered speech on **fertilizer application** for **young** & **mature tea** and **sustainable cultivation practices. Mr. Shyamal Kaushik Hazarika**, **advisory officer of TTRI**, Tocklai delivered speech on tea pets & their management by adopting **IPM** (integrated pest management), **ITK** (indigenous technical knowledge) techniques and urged growers to follow **good cultural practices**. The Director of the T. E. Mr. Samirandra Nath Phukon spoke on upcoming dangers in future days to growers and gave importance on **use of bio-fertilizer** & **Biochar** to enhance **soil health**.

# বাহনী চাহ বাগিচাত ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ মাজত শস্য সুৰক্ষা বিধি মানি কীটনাশক আৰু ৰাসায়নিক সাৰ প্ৰয়োগৰ কৰি গুণগত চাহ উৎপাদনৰ ওপৰত কৰ্মশালা সম্পন্ন




**অসম বাৰ্তা বিশেষ, মৰিয়নি, ২৮ মাৰ্চ ঃ** বাহ্নী চাহ বাগিছাৰ হ'লক হেৰিটেজ ৰিজৰ্টৰ পেক্ষাগৃহত বাহ্নী চাহবাগিছাৰ উদ্যোগত মৰিয়নি মহাবিদ্যালয়ৰ বিশেষ সহযোগত ভাৰতীয় চাহবৰ্ড যোৰহাট কাৰ্যালয়, চাহ গবেষণা সন্থা টোকলাই আৰু সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থা, যোৰহাট জিলা, মৰিয়নি আঞ্চলিক আৰু বাহ্নী শাখা সমিতিৰ সহযোগত বাহ্নী চাহ বাগিছাৰ কলঘৰত কেঁচা পাত যোগান ধৰা ক্ষুদ্ৰ চাহ খেতিয়ক সকলকৰ লগতে স্থানীয় ক্ষুদ্ৰ চাহ খেতিয়ক সকলক লৈ এক কৰ্মশালাৰ আয়োজন কৰা হয়। উক্ত কৰ্মশালাত চাহ বাগিছাত শস্য সুৰক্ষা বিধি (PPC)ৰ অনুমোদিত কীটনাশক দ্ৰৱৰ প্ৰয়োগ তথা ৰসায়নিক দ্ৰৱৰ যথোচিত ব্যৱহাৰ, বৰ্তমানৰ আন্তঃৰাষ্ট্ৰীয় চাহৰ বজাৰত অসমৰ চাহৰ সুনাম তথা ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ অমনোযোগিতাৰ ফলত কলঘৰত কৰ্তৃপক্ষই সন্মুখীন হ'ব পৰা বিপদৰ ওপৰত বহুল বাখ্যা আগবঢ়াই ভাৰতীয় চাহবৰ্ড, যোৰহাট আঞ্চলিক কাৰ্যালয়ৰ সহঃ সঞ্চালক নিপুণবৰ্মন ডাঙ্গৰীয়াই। ইয়াৰ পিছতে মৰিয়নি মহাবিদ্যালয়ৰ উদ্ভিদ বিদ্যা বিভাগৰ সহযোগী অধ্যাপক ড° ৰাজকুমাৰ গোঁহাই বৰুৱাই ক্ষুদ্ৰ চাহ খেতিয়কক কেঁচা পাতৰ Tipping এণ্ড Plucking সময়োচিত ভাৱে কেনেকৈ কৰিব লাগে তথা কৰাটো আৱশ্যকীয় সেই বিষয়ে বিশদভাৱে কয়। চাহ গছৰ বছৰেকীয়া কলম চক্ৰ অনুসাৰে কৰিবলগীয়া Tipping ৰ প্ৰয়োজনীয়তা ওপৰত গুৰুত্ব আৰোপ কৰে লগতে ক্ষুদ্ৰ চাহ খেতিয়কৰ বাগিছাত মাটিৰ গুণাগুণ অনুসৰি যথোচিত ৰাসায়নিক সাৰৰ প্ৰয়োগেৰে গুণগত কেঁচা পাত উৎপাদনমুখী হ'বলৈ সকলোকে আহ্বান জনায়। ইয়াৰ পাছত চাহ গবেষণা সন্থা টোকলাইৰ পৰামৰ্শ দাতা শ্যামল কৌশিক বৰদলৈয়ে চাহ গছত সঘনে আক্ৰমণ কৰা কীট পতংগৰ বিষয়ে আৰু তাৰ বিপৰীতে প্ৰয়োগ কৰিবলগা কীটনাশক দ্ৰৱৰ বিষয়ে বিশদ আলোচনা আগবঢ়ায়। তদুপৰি নিয়ম মাফিক খেতিৰ অনুশীলন (Cultivation Practices) বিলাকক অগ্ৰাধিকাৰ দিবলৈ পৰামৰ্শ দিয়াৰ লগতে সংহত কীট পতংগৰ ব্যৱস্থাপনা (IPM) আৰু থলুৱা কাৰিকৰী জ্ঞান (ITK) ওপৰত জোৰ দিবলৈ কয়। বাহ্নী চাহ বাগিছাৰ সঞ্চালক সমীৰেন্দ্ৰ নাথ ফুকন ডাঙৰীয়াই ক্ষুদ্ৰ চাহ খেতিয়ক সকলে আগন্তুক দিনত সন্মুখীন হ'ব লগীয়া সম্ভাব্য বিপদৰ ওপৰত আলোকপাত কৰে আৰু লাহে লাহে সংহত ৰূপত চাহ মাটিডৰাক জৈৱিক পদ্ধতি প্ৰয়োগ কৰিবলৈ আহ্বান জনায় আৰু লগতে তেখেতৰ বাগিছাত হায়দ্ৰাবাদ স্থিত এটি অনুষ্ঠানৰ সহযোগিতাত জীৱাণু (Microbes) ৰ প্ৰয়োগেৰে মাটিডৰাক জৈৱিক শক্তি বৃদ্ধি কৰি ৰাসায়নিক দ্ৰব্যৰ প্ৰয়োগ হ্ৰাস কৰাই একে উৎপাদনৰ ধাৰাবাহিকতাৰ উদাহৰণ দিয়ে আৰু এঙাৰ (Biochar) ৰ জৰিয়তে জৈৱিক কাৰ্বনৰ পৰিমাণ বৃদ্ধি কৰাৰ নমুনাৰ বিষয়ে পুংখানুপুংখ বিৱৰণ দিয়ে। সদৌ শেষত বাহ্নী চাহবাগিছাৰ পৰিচালক মনোজ কুমাৰ বৰগোহাঁইৰ আঁত ধৰা কৰ্মশালাত সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ যোৰহাট জিলাৰ সম্পাদক কৃষ্ণ প্ৰসাদ শৰ্মাই বিগত তিনিটা বছৰত ক্ষুদ্ৰ চাহ খেতিয়ক সকলে সন্মুখীন হোৱা সমস্যাৰ এখন জীয়া ছবি দাঙি ধৰে আৰু তাৰ পৰা পৰিত্ৰাণৰ উপায় হিচাপে ল'ব লগা সাৱধানতাৰ ওপৰত যোৰ দিয়ে। ভাৰতৰ চাহ উৎপাদনত ক্ষুদ্ৰ চাহ খেতিয়কৰ ৫০শতাংশ (পঞ্চাছ শতাংশ) অধিক অবদানৰ কথা উল্লেখ কৰি একোজন ক্ষুদ্ৰ চাহ খেতিয়কৰ দায়িত্ববোধৰ বিষয়ে সোঁৱৰাই দিয়ে আৰু আগন্তুক দিনত যাতে খেতিয়ক সকলে সমস্যাৰ সন্মুখীন হ'ব লগা নহয় কলঘৰ কৰ্তৃপক্ষৰ সহযোগত সদা সচেতন হৈ থাকিবলৈ আহ্বান জনায়। প্ৰতিবছৰে বাহ্নী চাহ বাগিছা কৰ্তৃপক্ষই অনুষ্ঠিত কৰি অহা এনে কৰ্মশালাৰ তেখেতে শলাগ লয় আৰু সময়ে সময়ে বাহ্নী চাহ বাগিছাৰ কৰ্তৃপক্ষই খেতিয়ক সকললৈ আগবঢ়োৱা কেঁচা চাহপাতৰ দৰৰ প্ৰসংশা কৰে। আজি এই কৰ্মশালাত সমল ব্যক্তি হিচাপে উপস্থিত থকা প্ৰতিজন পৰামৰ্শ দাতা লৈ তেখেতে ধন্যবাদ জ্ঞাপন কৰে। বাহনী চাহ বাগিছাৰ কাষৰীয়া অঞ্চলৰ প্ৰায় ১৫০ (ডেৰশমান) ক্ষুদ্ৰ চাহ খেতিয়ক উপস্থিত থকা এই কৰ্মশালা ভাগ প্ৰীতিৰ ভোজ এসাঁজেৰে সামৰণি মৰা হয়।

## গেলেকীৰ শিঙিবিলত সতী জয়মতী স্মৃতি দিৱস উদযাপন

**অসম বাৰ্তা, গেলেকী, ২৮ মাৰ্চ ঃ** গেলেকী ন-পুখুৰী শাখা সাহিত্য সভা আৰু গেলেকী আঞ্চলিক বীৰাংগনা মহিলা সমিতিৰ শিঙিবিল শাখাৰ যৌথ উদ্যোগত তথা স্থানীয় ৰাইজৰ সহযোগত সতী জয়মতী স্মৃতি দিৱস উদযাপন। পুৱা ৮ বজাত প্ৰাক্তন শিক্ষক দুলেশ্বৰ শইকীয়া দ্বাৰা পৰিৱেশ নিকাকৰণ ও গছপুলি ৰোপণ কাৰ্যসূচীৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয়। পুৱা ৮-৩০ বজাত পাতাকা উত্তোলন কৰা হয় পাতাকা উত্তোলন কৰে ন-পুখুৰী শাখা সাহিত্য সভাৰ সভাপতি দিলিপ মহন্তই লগত সহযোগ কৰে বীৰাংগনা মহিলা সমিতিৰ শিঙিবিল শাখা সমিতিৰ সভানেত্ৰী মিনু কুৰ্মীয়ে। পুৱা ৯ বজাত স্মৃতি তৰ্পন কৰা হয় প্ৰাক্তন শিক্ষক ৰামেশ্বৰ কোঁৱৰৰ দ্বাৰা। পুৱা ১০ বজাত আৰম্ভ হয় সংলাপ প্ৰতিযোগিতাৰ। সংলাপ প্ৰতিযোগিতাৰ উদ্বোধন কৰে শিৱসাগৰ জিলাৰ সাহিত্য সভাৰ সাংগাঠনিক সম্পাদক দিলীপ শইকীয়াই। সংলাপ প্ৰতিযোগিতা দুটা ভাগত অনুষ্ঠিত হয় ক আৰু খ শাখাত। ক শাখাত পঞ্চম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈকে আৰু খ শাখাত নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। দিনৰ ১২ বজাত মুকলি সভা অনুষ্ঠিত হয়। মুকলি সভা উদ্বোধন কৰে বিশিষ্ট নাট্য শিল্পী হৰেণ ৰাজখোৱাই। সভাখনত সভাপতিত্ব কৰে ন-পুখুৰী শাখা সাহিত্য সভাৰ সভাপতি দিলীপ মহন্তই। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে শিৱসাগৰ জিলা সাহিত্য সভাৰ উপ-সভাপতি ড° জীৱন কলিতা, সম্পাদক মনোজ কুমাৰ গগৈ, সহঃ সম্পাদক দেৱযানী শইকীয়া, গেলেকী প্ৰেছ ক্লাবৰ সভাপতি ৰাহিদ আলীকে ধৰি ভালেকেইগৰাকী গণ্য মান্য ব্যক্তি। অনুষ্ঠানটিত যুৱবক্তা হিচাপে উপস্থিত আছিল নাজিৰা মহাবিদ্যালয়ৰ স্নাতকোত্তৰ চতুৰ্থ ষাণ্মাসিকৰ ছাত্ৰী নয়নমণি নাথ। বিয়লি ৩ বজাত মহাসতী নাটৰ শুভাৰম্ভ কৰা হয়। সন্ধিয়া ৫ বজাত অনুষ্ঠিত ছাত্ৰ- ছাত্ৰীৰ দ্বাৰা পৰিৱেশিত সাংস্কৃতিক অনুষ্ঠানৰ পিছতেই অনুষ্ঠানটিৰ সামৰণি পৰে।


ONE DAY TRAINING WORKSHOP
FOR SMALL TEA GROWERS
Organised by:
BAHANI TEA ESTATE
In Collaboration with
DEPARTMENT OF BOTANY & IQAC MARIANI COLLEGE
In Association with
TEA BOARD OF INDIA
AASTGA (Jorhat District, Mariani Regional & Bahani Branch Committee )
&
TEA REASEARCH ASSOCIATION
TOPICS OF DISCUSSION
TIPPING AND PLUCKING OF TEA
PEST CONTROL, PPC NORMS AND MRL LEVELS
BIO ORGANIC INTEGRATED MANAGEMENT IN TEA
Dt: 28.03 2025
TIME : 12.00 Noon
VENUE : HOLLOCK HERITAGE, BAHANI TEA ESTATE


REDMI NOTE 8
AI QUAD CAMERA


REDMI NOTE 8
AI QUAD CAMERA


REDMI NOTE 8
AI QUAD CAMERA